# DIPLOMA IN ELEMENTARY EDUCATION
# (D. EL. ED)

## 503

ব্লক- 1
ভাষা কি

গোট - 1

## গোট 1 ঃ ভাষা কি?

গাঁথনি

1.0 আৰম্ভণি

1.1 শৈক্ষিক উদ্দেশ্য

1.2 পৰিসৰ

1.3 ভাষা আৰু ব্যাকৰণ

1.3.1. ভাষাৰ ধ্বনি ব্যৱস্থা

1.3.2. শব্দ গঠন

1.3.3. বাক্য গঠন

1.3.4. আলোচ্য গাথঁনি/গঠন

1.4 মান্য ভাষা

1.5 ভাষাৰ মনোবৈজ্ঞানিক দিশ

1.6 ভাষাৰ সামাজিক দিশ


1.7 ভাষা আৰু সাহিত্য

1.8 ভাষিক নিপুণতা

1.9 আমি কি শিকিলোঁ /সংক্ষেপে পাঠটি

1.10 প্ৰসংগ গ্ৰন্থ সমূহ

1.11 অধ্যায় ভিত্তিক অনুশীলন



টোকা

## 1.0 পাতনি ঃ

এই অধ্যায়টোত আমি আলোচনা কৰিবলগীয়া দিশসমূহ হৈছে -

ক) ভাষা কি?

খ) ভাষাৰ গুৰুত্ব আৰু ইয়াৰ পৰিসৰ

গ) ভাষাৰ ব্যাকৰণৰ ভূমিকা

ঘ) আমি কি ভাবে ধ্বনি, শব্দ গাঁথনি /ব্যৱস্থা, বাক্য গাঁথনি /ব্যৱস্থা, আলোচ্য গাঁথনি ইত্যাদি আয়ত্ব কৰোঁ।

ঙ) আমি আলোচনা কৰিম ভাষাৰ মনোবৈজ্ঞানিক আৰু সামাজিক দিশ।

চ) আমি অতি সংক্ষেপে আলোচনা কৰিম ভাষিক নিপুণতাৰ প্ৰয়োজনীয়তা আৰু বিভিন্ন ভাষা মূল্যায়ন কৌশলে কি ভাৱে কাম কৰে। আমাৰ আলোচনাৰ আন এটি বিচাৰ্য বিষয় হ'ল ভাষা আৰু সাহিত্যৰ সম্পৰ্ক।

## 1.1 শৈক্ষিক উদ্দেশ্য ঃ

এই অধ্যায়টোত ভাষাৰ প্ৰকৃতি (nature) আৰু গঠনৰ বিষয়ে আলোচনা কৰা হৈছে। এই অধ্যায়টো অধ্যয়ন কৰি উল্লেখিত দিশসমূহ আয়ত্ব কৰিব পৰা যাব -

* ভাষাৰ ধাৰণা / ধাৰণা হিচাপে ভাষা
* ভাষা আৰু সমাজৰ সম্পৰ্ক
* (মানুহৰ) সহজাত ভাষিক দক্ষতা আয়ত্বকৰণ
* ভাষাৰ প্ৰকৃতি আৰু ইয়াৰ গঠন
* ভাষাৰ ব্যৱহাৰ
* ভাষাৰ শিক্ষণৰ মূল্যায়ন সঁজুলি
* ভাষিক নিপুণতাৰ ধাৰণা
* গতানুগতিক আৰু অগতানুগতিক কথোপকথনৰ মাজত পাৰ্থক্য।

## 1.2 ভাষাৰ প্ৰয়োজনীয়তা আৰু পৰিসৰ ঃ


'ভাষা' কি? এই বিষয়ে আমি দুটা পৃথক ধাৰণা কৰিব পাৰো। 'ভাষাক' দুটা পৃথক দৃষ্টিভংগীৰে চাব পাৰি। সাধাৰণ মানুহৰ বাবে ভাষা কেৱল মনৰ ভাৱ আদান-প্ৰদানৰ এটা মাধ্যম। আনহাতেদি, ভাষাবিদ সকলৰ মতে ভাষা হৈছে ব্যাকৰণ আৰু ইয়াৰ সৰ্বব্যাপী প্ৰচলনত সীমাবদ্ধতা আনি দিয়ে। এই দৃষ্টিভংগীৰ মতে কোনো এটা ভাষাৰ বক্তাৰ স্থান সেই ভাষাৰ ব্যাকৰণ আৰু অভিধানখনতকৈ পিছত। কিন্তু আমি এইটোও জানো যে বক্ত

অবিহনে কোনো ভাষাৰেই অস্তিত্ব থাকিব নোৱাৰে। সৰ্বসাধাৰণ মানুহৰ দ্বাৰা দৈনন্দিন জীৱনত ভাষাৰ ব্যৱহাৰ আৰু ভাষাবিদ সকলৰ ভাষাৰ ওপৰত অধ্যয়ন, এই দুয়োটাৰে অৰিহণা অবিহনে কোনো ভাষাৰেই ব্যাকৰণ আৰু অভিধান প্ৰস্তুত কৰি উলিওৱাটো সম্ভৱ নহয়। ভাষা এটাৰ ব্যৱহাৰ আৰু ইয়াৰ প্ৰচলনৰ অত্যাৱশ্যকীয় অংগ হ'ল সেই ভাষাটোৰ লগত জড়িত ভাষিক গোষ্ঠীতো (Speech Community)। এটা ভাষিক গোষ্ঠী গঠিত হয় সাধাৰণ মানহৰ দ্বাৰা যিসকলে দৈনন্দিন জীৱনত এটা নিৰ্দ্দিষ্ট (আৰু নিৰ্ধাৰিত) ভাষা ব্যৱহাৰ কৰে আৰু সেই নিৰ্দ্দিষ্ট ভাষাটোক এটা আকৃতি আৰু নিৰ্ধাৰিত মান প্ৰদান কৰে। ইয়াত কোনো সন্দেহ নাই যে ভাষা এটাৰ উন্নতি আৰু মানৱ সমাজৰ উন্নতি দুয়োটাই বিভিন্ন পৰ্যায় আৰু প্ৰক্ৰিয়া অতিক্ৰম কৰি থৈছে। যদি কোনো সমাজ বা ভাষিক গোষ্ঠী নাথাকিল হয়, তেতিয়া অভিধান আৰু ব্যাকৰণৰো কোনো মূল্য নাথাকিলে হয়। সেইবাবে, ভাষা কি বুলি ক'লে আমি ভাষাৰ ক্ৰমবিকাশৰ লগতে ইয়াৰ বিভিন্ন দিশবোৰো জানিব বা বুজিব লাগিব।

পোন প্ৰথমে আমি ক'ব পাৰো যে, ভাষা হৈছে এজন ব্যক্তিৰ পৰিচয়। যেতিয়া এজন ব্যক্তিয়ে কয় যে তেওঁৰ ভাষা হৈছে - 'গণ্ডী', ই কেৱল তেওঁৰ ব্যৱহৃত ভাষাটোৰ কথাই নকয় বৰঞ্চ তেওঁ বাস কৰা সমাজ/সামাজিক ব্যৱস্থা, ৰীতি-নীতি আদিৰো পৰিচয় দিয়ে। ভাষাই এজন ব্যক্তিৰ দৈনন্দিন জীৱন - শৈলী, তেওঁৰ লগ সংগ আদিৰ কথাওঁ সূচাই। দ্বিতীয়তে, এজন ব্যক্তিৰ দৈনন্দিন জীৱনৰ বহুতো ঘটনাই ভাষাৰ ব্যৱহাৰত কাৰক হিচাপে কাম কৰে। কাক শ্ৰদ্ধা / সন্মান জনোৱা উচিত, কাক ভাল পাব লাগে, কাক ঘৃণা কৰিব লাগে আৰু কোন সৰু বা ডাঙৰ ইত্যাদি বোৰৰ বিষয়ে সম্যক ধাৰণা কৰিব পাৰি এজন ব্যক্তিয়ে ব্যৱহাৰ কৰা ভাষাৰ পৰা। ভাষাই সমাজ ব্যৱস্থাৰ লগত নিশ্চিত ভাৱেই এটা ওতঃপ্ৰোত সম্পৰ্ক বজাই ৰাখে। ভাষা হৈছে এটা মাধ্যম যি সামাজিক শ্ৰেণী ব্যৱস্থা মানি চলাত আৰু সাম্য কৰণত সহায় কৰে।

ভাষাৰ আন এটি গুৰুত্বপূৰ্ণ দিশ হ'ল ইয়াৰ মনোবৈজ্ঞানিক দিশটো এটা বৰ আশ্চৰ্যজনক উল্লেখনীয় হ'ল পৃথিৱীৰ সকলো শিশুৰেই, যিকোনো সমাজ ব্যৱস্থাআৰু ভৌগোলিক অৱস্থানৰ, এজন প্ৰাপ্তবয়স্ক ব্যক্তিৰ সমানেই তেওঁৰ নিজৰ ভাষাটোৰ ওপৰত ব্যুৎপত্তি থাকে। যেতিয়াসৈকে তেওঁৰ বয়স 4 বছৰ হয়, শিশুটোৱে নিজাববীয়াকৈ এটা ভাষা আয়ত্ব কৰি লয় আৰু তেওঁ সেই ভাষাটো ব্যাকৰণৰ দিশৰ পৰা সম্পূৰ্ণ শুদ্ধ আৰু পৰিস্থিতি অনুযায়ী শুদ্ধ শব্দ ও বাক্য চয়ন চয়ন কৰি ব্যৱহাৰ কৰিব পৰা হয়। সেইবাবেই আমি এজন শিশুক সাধু কওঁতে বা সেই একেটা সাধুৰেই দেওঁৰ পৰা শুনোতা কোনো বিশেষ অসুবিধাৰ সন্মুখীন নহওঁ।

ভাষাৰ আন এটা অতি গুৰুত্বপূৰ্ণ দিশ আছে। ভাষা হৈছে এনে এটা মাধ্যম যি দূৰত্ব কম কৰে বা নোহোৱা কৰে। আমাৰ কোনো আত্মীয় বা বন্ধু-বান্ধৱ যি দূৰত থাকে ফোনৰ



টোকা

মাধ্যমেৰে হোৱা কোনো কথাত আমাৰ ওপৰত খং কৰিব পাৰে বা অমান্তি হ'ব পাৰে, তেনে ক্ষেত্ৰত আমি দ্বিতীয়বাৰৰ বাবে তেওঁক ফোন কৰি তেওঁৰ খং কমাব পাৰো আৰু নহ'লে তেওঁক মান্তি কৰাব পাৰো। এইটো কি ভাৱে সম্ভৱ? কেৱল মাত্ৰ ভাষাৰ সঠিক ব্যৱহাৰৰ দ্বাৰা।

এইটো একেবাৰে সাধাৰণ কথা যে শিশুৱে ভাষা শিকে তেওঁৰ ওচৰ চুবুৰীয়াৰ পৰা, বন্ধু বৰ্গৰ পৰা, পৰিয়ালৰ পৰা আৰু পৰিৱেশৰ পৰা। ভাষা শিকাৰ সামৰ্থ কেতিয়াও কেৱল এই ভাষা শিকাৰ মাজতে সীমাবদ্ধ হ'ব নোৱাৰে। প্ৰত্যেকৰে ভাষাৰ বিভিন্ন দিশবোৰ শিকাৰ বা আয়ত্ব কৰাৰ সামৰ্থ্য ভিন ভিন আৰু প্ৰায় একে সময়তে বিভিন্ন ভাষা আয়ত্ব কৰিব পাৰে। বহু ভাষিতা মানুহৰ এক জন্মগত সামৰ্থ্য।

ভাষাৰ পদ্ধতিগত দিশটোও এটা অতি প্ৰয়োজনীয় বিচাৰ্য্য বিষয়। আমি এই দিটোৰে বিষয়ে ইয়াৰ পাছৰ অধ্যায়ত আলোচনা কৰিম। ভাষাৰ সাধাৰণ ধাৰণা হ'ল যে প্ৰত্যেক ভাষাই কিছুমান স্তৰ যেনে - ধ্বনি, শব্দ, ব্যাকৰণ আৰু ভাষাৰ ব্যৱহাৰ আদিৰ লগত জড়িত কিছুমান নিৰ্দ্দিষ্ট নীতিৰ ওপৰত নিৰ্ভৰ কৰি আমি নিজ ইচ্ছা অনুযায়ী যিকোনো সময়তে যিকোনো শব্দ ব্যৱহাৰ কৰিব নোৱাৰো ; ইয়াৰ বাবে কিছুমান নিয়ম আছে যিয়ে শব্দৰ ক্ৰম নিৰ্ধাৰণ কৰে ; আমি এনে কোনো ব্যায়াকৰণৰ প্ৰণালী পদ্ধতিও ব্যৱহাৰ কৰিব নোৱাৰো যিবোৰ এটা ভাষাৰ অধীন নিয়মে অনুমতি নিদিয়ে। আমি এনে ধৰণে কোনো বাক্যও সজাব নোৱাৰো যি সমূহ এটা বিষয়বস্তুৰ যথাযথ অৰ্থ প্ৰকাশ কৰিব নোৱাৰো।

এটা কথা জানি থোৱা ভাল হ'ব যে ভাষাৰ প্ৰকৃতি আৰু ব্যৱহাৰ, দুয়োটাই সময়ৰ পৰিৱৰ্তনশীল ধাৰাত ঢাল খোৱা। কিন্তু এই পৰিৱৰ্তন ইমান ধীৰ আৰু ক্ৰমানুযায়ী হয় যে আনকি মাক দেউতাকেও ভাৱে যে তেওঁলোকৰ দ্বাৰা ব্যৱহৃত ভাষা আৰু তেওঁলোকৰ সন্তানৰ দ্বাৰা ব্যৱহৃত ভাষাৰ মাজত কোনো পাৰ্থক্য নাই। কিন্তু এইটোওঁ সচাঁ যে ককাক-আইতাকৰ ব্যৱহাৰ্য ভাষা তেওঁলোকৰ নাতি-নাতিনীৰ ভাষাৰ মাজত যথেষ্ট পাৰ্থক্য দেখা নাযায়।

**অগ্ৰগতিৰ নিৰীক্ষণ - 1**

1. ভাষাবিদ সকলৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ কি?

   ক) শব্দবোৰ আৰু বাক্যবোৰ

   খ) শব্দ ব্যৱস্থা আৰু বাক্য


   গ) অভিধান আৰু ব্যাকৰণ

   ঘ) শব্দ ব্যৱস্থা আৰু ব্যাকৰণ

2. ভাষা শিকনত পৰিৱেশ এটা শিশুক কেনেদৰে সহায় কৰে?

   ..........................................................................................

   ..........................................................................................



টোকা

3. ভাষা হৈছে এজন ব্যক্তিৰ পৰিচয়। কেনেকৈ? ব্যাখ্যা কৰা।

..........................................................................................

..........................................................................................

## 1.3 ভাষা আৰু ব্যাকৰণ ঃ

শুদ্ধ আৰু অশুদ্ধ বাক্যবোৰত প্ৰায়েই বিভিন্ন ধৰণৰ পাৰ্থক্য দেখা যায়। সাধাৰণতে আমি যেতিয়া আমাৰ নিজৰ ভাষাত কথা কওঁ তেতিয়া আমাৰ ভুল নহয় ; যদিহে কাৎচিত হয় তেতিয়া আমি নিজে বুজি পাওঁ কওঁ শুদ্ধ কৰিব লাগে। অশুদ্ধ বাক্যবোৰ সদায় আন ভাষা আয়ত্বকৰণৰ লগত জড়িত। এইটো তেতিয়াওঁ সমভৱ যেতিয়া আমি ভাষা এটাৰ এটা নিৰ্দ্দিষ্ট প্ৰকাৰক মান্য ভাষা হিচাপে গণ্য কৰো। এনে ক্ষেত্ৰত, উপভাষা ব্যৱহাৰ কৰা পৰিয়ালৰ শিশুসকল প্ৰায়েই ঠাট্টা বিদ্ৰুপৰ সন্মুখীন হয়, তেওঁলোকৰ ভুল নথকা স্বত্বেও। (এই বিষয়ে পাছত বৰ্ণনা কৰা হ'ব)


প্ৰত্যেক ভাষাস মান্যভাষাই হওঁক বা ঠগভাষাই হওঁক প্ৰত্যেকৰে নিজা ব্যাকৰণ আছে। সেই ভাষাৰ নিজস্ব ধ্বনি ব্যৱস্থা আছে, ব্যাকৰণ আছে আৰু প্ৰত্যেক স্তৰতে ভাষাৰ নিজা গঠন পদ্ধতি আছে। তলত উল্লেখ কৰা প্ৰতিটো স্তৰৰ উদাহৰণ সমূহ মন কৰিলে এই কথা স্পষ্ট হ'ব -

### 1.3.1. ধ্বনি ব্যৱস্থাৰ গঠন প্ৰণালী ঃ

প্ৰত্যেক ভাষাৰে নিজস্ব ধ্বনি ব্যৱস্থা আছে। কিন্তু এই ধ্বনি ব্যৱস্থা হৈছে নিৰ্দ্দিষ্ট আৰু সীমিত আৰু প্ৰত্যেক ভাষাৰেই ধ্বনিবোৰ শব্দবোৰৰ মাজত প্ৰণালীবদ্ধ। উদাহৰণ স্বৰূপে, প্ৰত্যেক ভাষাতেই স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনি পোৱা যায়। সেইবোৰ সংখ্যাত কম বা বেছি হ'ব পাৰে। এনেকুৰা খুউব কম ভাষা আহে য'ত 3 টাকৈ কম বা স্বৰধ্বনি থাকিব পাৰে ; আনহাতেদি এনে কিছুমান ভাষাও আছে য'ত 20 টা স্বৰধ্বনি আহে। ব্যঞ্জন ধ্বনিৰ সংখ্যা 8-10 পৰা 40-50 লৈকে আহে। হিন্দী আৰু ইংৰাজীৰ মাজত থকা পাৰ্থক্য সমূহ হ'ল -

| | **স্বৰধ্বনি** | **ব্যঞ্জন ধ্বনি** | **মুঠ** |
|---|---|---|---|
| ইংৰাজী | 20 | 24 | 44 |
| হিন্দী | 10 | 33 | 43 |

এই ধ্বনিবোৰক ভাষাৰ বৰ্ণমালা পদ্ধতিত সন্নিবিষ্ট কৰা হোৱা নাই। এইবোৰ হিন্দী আৰু ইংৰাজীত যোগাযোগৰ বাবেহে ব্যৱহাৰ কৰা কিছুমান ধ্বনি। ইয়াৰ অৰ্থ, এটা ভাষাত এই ধ্বনিবোৰৰ যথাযথ তাৎপৰ্য আছে আৰু এইবোৰ ন্যুনতম অৰ্থহীন ধ্বনি যিবোৰৰ ব্যৱহাৰে ভাষা এটাত ব্যৱহৃত যিকোনো শব্দৰে অৰ্থ সলনি কৰিব পাৰে। উদাহৰণস্বৰূপে -



টোকা

ইংৰাজী - Kil "Kill" (মাৰা)

Pil "Pill" (দৰব)

হিন্দী - Kal "tomorrow" (কালিলৈ)

Pal "moment" (মুহূৰ্ত)

অসমীয়া - Kitab "book"

Porha "read"

উল্লিখিত উদাহৰণৰ পৰা বুজা যায় যে |p| (প) আৰু |k| (ক) এই দুয়োটা ধ্বনি দুয়োটা ভাষাতে তাৎপৰ্য্যপূৰ্ণ। কিন্তু আমি হিন্দী নাইবা ইংৰাজীত গোটেই টা ধ্বনিয়েই এই একে ধৰণৰেই বিশ্লেষণ কৰিব পাৰো নে? দুয়োটা ভাষাতেই এই গোটেইবোৰ ধ্বনিয়েই একেটা ক্ৰমতে আহে নে? এটা ভাষাৰ মূল বক্তা বা শিকাৰুৱে সেই ভাষাৰ বৰ্ণমালা বা বাক্যৰ ক্ৰমানুযায়ী ব্যৱহাৰ বা বছৰ বয়সতে নিশিকে নে? আমি এনে এটা পৰিস্থিতি কল্পনা কৰো য'ত |p| বৰ্ণটো হিন্দীৰ ব্যঞ্জণবৰ্ণ সমষ্টিৰ লগত ব্যৱহাৰ কৰিম। এনে পৰিস্থিতিত আন যিকোনো ব্যঞ্জন বৰ্ণই এই |p| বৰ্ণটোৰ লগত মিলি কোনো অৰ্থবহ ব্যঞ্জন বৰ্ণৰ সমষ্টি সৃষ্টি কৰিব পাৰিব নে? তলৰ উদাহৰণ সমূহলৈ মন কৰা হওঁক -

| | | | | | |
|---|---|---|---|---|---|
| * pkav | * Pkail | * pgel | * pchav | * pehil | * pchel |
| * ptav | * ptil | * pthel | * ptav | * ptil | * phel |

হিন্দীত এনে শব্দ সম্ভৱ নে? যদি নহয়, তেন্তে হিন্দী শব্দবোৰ কি নিয়মৰ অধীন?


হিন্দীৰ নিয়ম সমূহ মন কৰা হওঁক -

নিয়ম ঃ - যদি এটা শব্দ ব্যঞ্জনবৰ্ণ গোটেৰে আৰম্ভ হয় আৰু প্ৰথম বৰ্ণটো |p| হয়, তেন্তে ব্যঞ্জন বৰ্ণ যিকেইটাই |p| ৰ সৈতে এটা সমষ্টিত অন্তৰ্ভুক্ত হ'ব পাৰিব, সেই কেইটা হ'ল মাথো

| | | | | |
|---|---|---|---|---|
| \|y\|, | \|r\|, | \|l\| | and | \|v\| |
| য় | ৰ | ল | | ভ |

ধ্বনিবিজ্ঞান সম্বন্ধীয় এই নিয়ম অনুসৰণ কৰি আপুনি যিকোনো শব্দ গঠন কৰিব পাৰে বা ওপৰত উল্লিখিত ব্যঞ্জনবৰ্ণ সমষ্টিৰ পৰা অভিধানত বিচাৰি উলিয়াওক।

আন এটা ধ্বনি বিজ্ঞান সম্বন্ধীয় নিয়ম চোৱা যাওঁক। এটা স্বৰধ্বনিৰ আগত কিমানটা ব্যঞ্জন ধ্বনি (ব্যঞ্জন বৰ্ণ নহয়) একে গোটত থাকিব পাৰে বুজাৰ চেষ্টা কৰো আহক। আমি মন কৰিলে দেখা পাওঁ যে, ইংৰাজীকে আদি কৰি কোনো ভাৰতীয় ভাষাতে শব্দৰ আৰম্ভণিতে ৪ টাতকৈ বেছি ব্যঞ্জন ধ্বনিৰ সমষ্টি থাকিব নোৱাৰে। ইংৰাজীৰ 'Psychology' শব্দটো মন কৰিলে দেখা যায় ইয়াৰ আৰম্ভণিতে .. টা ব্যঞ্জনবৰ্ণ আছে, কিন্তু ব্যঞ্জন ধ্বনি কেৱল মাত্ৰ 1 টাহে আছে, 's', 'Psychology' শব্দটো আচলতে উচ্চাৰণ হয় এনে ধৰণে - / Saikoloji/ কিন্তু, ইংৰাজীৰ 'stress শব্দটোৰ আৰম্ভণিতে 3 টা ব্যঞ্জনধ্বনি আছে - |s|,



টোকা

|t|, |r| এই শব্দটো ইংৰাজীৰ 'street' শব্দটোৰ দৰেই। হিন্দী, ইংৰাজী আৰু অসমীয়াৰ কেইটামান ব্যঞ্জন সমষ্টিৰ শব্দ মন কৰো আহক -

| হিন্দী | অসমীয়া |
|---|---|
| 'Smriti' | Smriti (memory) |
| 'Skru' | skru (screw) |

ইংৰাজী ঃ spray, street, scratch, splasj, squash ইত্যাদি।

হিন্দী, অসমীয়া বা ইংৰাজীত এনে কোনো শব্দ নাই নে যি 4 টা বা তাতকৈ বেছি ব্যঞ্জন ধ্বনিৰ সমষ্টিৰে আৰম্ভ হয়? আপুনি জনা ভাষাত এনে কোনো সমষ্টি আছে যদি মনত পেলাওঁক। এতিয়া আমি দ্বিতীয় নিয়মটো চাওঁ আহক -

নিয়ম ঃ

ক) শব্দ এটাৰ আদিতেই এটা স্বৰধ্বনিৰ আগত 4 টাতকৈ বেছি ব্যঞ্জন ধ্বনি থাকিব নোৱাৰে।

খ) যদি 3 টা ব্যঞ্জনধ্বনি এটা সমষ্টি হিচাবে ব্যৱহাৰ কৰিব লগা হয় তেন্তে তিনিওটাকে এটা নিৰ্দ্দিষ্ট ক্ৰমত সজাব লাগিব। ব্যঞ্জনধ্বনি কেইটাক যদি আমি C1, C2, C3 হিচাপে নামাকৰণ কৰো তেন্তে -

C1 টো কেৱল |s| ধ্বনি হ'ব (চ)

C2 টো কেৱল |p|, |t| আৰু |k| ধ্বনি হ'ব
(প) (ত) (ক)


C3 টো কেৱল |y|, |r| , |l| আৰু |v| ধ্বনি হ'ব
হ'ব (য়) (ৰ) (ল) (ভ)

ধ্বনিৰ ক্ষেত্ৰত ভাষা এটাৰ নিয়মবোৰ কিমান সুসংগঠিত আৰু প্ৰণালীবদ্ধ সেইয়া আমি স্পষ্টকৈ জনা উচিত।

### 1.3.2 শব্দ গঠন ঃ

শব্দৰ স্তৰৰ কোনটো ভাষা এটা প্ৰণালীবদ্ধ ভাৱে সংগঠিত। একবচনৰ শব্দ এটা কিভাৱে বহুবচন কৰা হয় বা বিশেষ্য এটা কি ভাৱে বিশেষণলৈ ৰূপান্তৰ কৰা হয় তাৰ নিৰ্দ্দিষ্ট নিয়ম আছে। নিয়মবোৰ ইমানেই শৃংখলাবদ্ধ যে সেইবোৰে খুউব স্পষ্টকৈয়ে কিছুমান পাৰ্থক্য দেখুৱাব পাৰে, যেনে - ব্যঞ্জন ধ্বনি আৰু স্বৰধ্বনিৰে অন্ত হোৱা শব্দৰ পাৰ্থক্য আৰু বেলেগ বেলেগ স্বধ্বনিৰে অন্ত হোৱা বিভিন্ন শব্দৰ মাজত থকা পাৰ্থক্য।

হিন্দীৰ 'ghar' আৰু 'larkaa' শব্দ দুটাৰ ইংৰাজী ৰূপান্তৰ হ'ল ক্ৰমে - 'house' আৰু 'boy' আৰু হিন্দীত দুয়োটাই পুংলিঙ্গ আৰু একবচন সূচক শব্দ। এই দুয়োটাই শব্দৰে বহবচন বুজোৱা শব্দ দুটা কি হ'ব পাৰে? আমি নিশ্চয় এই বিষয়ে নাজানো, কিন্তু আমি জনা


টোকা

উচিত এই শব্দবোৰ কিভাৱে এটা প্ৰণালীবদ্ধ নিয়মত সজোৱা হয়, যি আমাৰ ছাত্ৰ-ছাত্ৰীবোৰক হিন্দী শিকাত আৰু ইয়াৰ বিষয়ে বহলভাৱে আলোচনা কৰাত সহায় কৰে। এতিয়া, আপোনালোকে কওঁকচোন, 'larke' বা 'boys' শব্দটো একবচন নে বহুবচন। তলৰ বাক্যবোৰলৈ মন কৰো আঁহক -

1. laRke fuTbol khel rahe haiN
2. laRke ne Khaannaa Khaayaa
3. mohan ke pass Kai ghar haiN
4. Yah ghar bahut sundar hai

1নং আৰু 3নং বাক্যই এটা কথা স্পষ্ট কৰিছে যে 'laRke' আৰু 'ghar' দুয়োটাই বহুবচনৰ শব্দ, কাৰণ দুয়োটা ক্ষেত্ৰতেই 'hain ক্ৰিয়াটো ব্যৱহাৰ কৰা হৈছে। কিন্তু 2 নং আৰু 4নং বাক্য দুটাত 'laRke' আৰু 'ghar' শব্দ দুটা একবচনত ব্যৱহাৰ কৰা হৈছে।

এই নিয়মটো বহলভাৱে পৰীক্ষা কৰো আহক - কাৰণ ইংৰাজী আৰু আন বহু ভাষাত যিকোনো শব্দৰ কেৱল মাত্ৰ এটাই অনুৰূপ শব্দ বহুবচনত পোৱা যায়। সেইবাবেই, আমিও ধৰি লওঁ আহক যে হিন্দীতো এটা শব্দৰ এটাইহে বহুবচন পোৱা যায়। কিন্তু, হিন্দীত এনে ধৰণৰ কোনো নিয়ম নাই। সংস্কৃতত কেৱল একবচন, বহুবচন বা দ্বৈত শব্দই নহয়, ইয়াত আন বহুতো 15/16 ধৰণৰ শব্দৰ ৰূপ আহে। হিন্দীত এটা বিশেষ্যৰ 2/3 বা তিনিটাই নহয় বহুতো বচন থাকিব পাৰে, আৰু প্ৰত্যেকটোৱেই নিৰ্দ্দিষ্ট নিয়মৰ অধীন। বহুক্ষেত্ৰত কোনো কোনো শব্দৰ কেৱল এটাই বচন আছে, হয় একবচন আৰু নহ'লে বহুবচন। তলৰ টেবুলখনলৈ মন কৰা হওঁক আৰু চোৱা যাওঁক 'laRke' আৰু 'ghar' শব্দ দুটাৰ ক্ষেত্ৰত এই পদ্ধতি কেইটাই কিভাৱে উদাহৰণ সহ যুক্তি আগবঢ়াইছে -


**কাৰ্য একবচন বহুবচন**

| | | |
|---|---|---|
| কৰ্তাকাৰক /Nominative | ghar | ghar |
| বিভক্তি পূৰ্ব /Eleswhere | ghar | gharoN |
| সম্বোধন /Vocative | ghar! | gharo! |

laRkaa 'boy'

| কাৰ্য্য | একবচন | বহুবচন |
|---|---|---|
| কৰ্তা /Nominative | laRkaa | aRke |
| বিভক্তি পূৰ্ব /Eleswhere | laRke | laRkon |
| সম্বোধন /Vocative | laRke! | laRko! |

প্ৰকাৰ / গঠন আৰু কাৰ্যক যদি একেলগে বিচাৰ কৰো তেন্তে নীতি মতে হিন্দীত প্ৰত্যেক বিশেষ্যৰে 6 টা ৰূপ আছে। বহু কেইটা ৰূপ দেখাত একে কিন্তু এই বোৰে প্ৰসংগ


টোকা



অনুযায়ী ভিন ভিন কাৰ্য কৰে। সেইবাবে laRke/ শব্দটো একবচন আৰু বহুবচন দুয়োটাই হ'ব পাৰে। সেয়ে /laRke/শব্দটো কৰ্তা হিচাপে ব্যৱহাৰ কৰিলে বহুবচন হয়, 'ne' আদিৰ আগত আৰু সম্বোধন বাচক শব্দ হ'লে একবচন হয়। যদি আমি ৰূপবোৰ চাওঁ, দেখা পাম যে হিন্দীত 'ghar' শব্দটো তিনিটা ৰূপত ব্যৱহাৰ কৰিব পাৰি - 'ghar', 'ghorN' আৰু শব্দটোৰো চাৰিটা ৰূপ আছে - 'laRkaa', 'laRke', 'larkoN আৰু 'laRko' কিন্তু, ব্যৱহাৰৰ ক্ষেত্ৰত সিহঁতৰ 6টা ৰূপ case based স্থান আছে। সেই 6 টা স্থানত 'laRkaa' শব্দটোৰ ৰূপবোৰ তলত দিয়া ধৰণৰ হয় -

5. laRkaa Khel rahaa hai.

6. laRke Khel rehe haiN.

7. laRke ne Khaanaa Khaaya

8. laRkon ne Khaanaa Khaayaa

9. O laRke, idhar aa

10. O laRko, idhar aao!


5 নং বাক্যত 'laRkaa' শব্দটো একবচন, 6নং বাক্যত 'laRke' শব্দটো বহুবচন আৰু বাক্যত দুয়োটাই কৰ্তা হিচাবে কাম কৰিছে। কিন্তু 7নং বাক্যত 'laRke' শব্দটো একবচন, কাৰণ ইয়াৰ ঠিক পাছতে শব্দটো আহে। 8নং বাক্যত 'laRkon' শব্দটো বহুবচন; ই 7নং বাক্যত থকা শব্দটোৰ বহুবচন ৰূপ। 9নং বাক্যত 'laRke' টো একবচন আৰু সম্বোধনবোধক শব্দ, আৰু 10 নং বাক্যত 'laRko' শব্দটো সম্বোধনবোধক আৰু বহুবচন।

শব্দ গঠনৰ নিয়মাৱলীসমূহৰ পৰা আন এটা উদাহৰণ চাওঁ আহক। হিন্দী আৰু ইংৰাজীত এনে বহুতো নিয়ম আহে যাৰ সহায়ত বিশেষ্যক বিশেষণলৈ ৰূপান্তৰ কৰা হয়। উদাহৰণস্বৰূপে - 'rain', 'fun', 'sun', 'fish', 'cloud' ইত্যাদি। ইংৰাজীত এই বিশেষ্যবোৰৰ লগত 'y' যোগ কৰি ইহঁতক বিশেষণ কৰিব পৰা যায়। এই বিশেষণবোৰ হ'ল - 'funny', 'sunny', 'fishy', 'Cloudy' ইত্যাদি। হিন্দীত কিছুমান তুচ্ছ শব্দৰ গোট আছে, যিবোৰ নিজৰ ব্যাকৰণ শ্ৰেণী সলনি কৰে আৰু 'i' স্বৰধ্বনিটো যোগ কৰি বিশেষ্যৰ পৰা বিশেষণলৈ ৰূপান্তৰ হয়। উদাহৰণস্বৰূপে - 'sarkar', bazaar', baigan', 'apraadh' ইত্যাদিবোৰৰ বিশেষণ ৰূপ হ'ল ক্ৰমে - 'sarkarji', baazaarji', 'baigamji', apradhii' ইত্যাদি।

### 1.3.3 বাক্য গঠন ঃ

5নং বাক্যৰ পৰা 10নং বাক্যলৈকে আটাইকেইটা তলৰ বাক্য কেইটাৰ লগত তুলনা কৰক -

11. laRkii Khel rahii thii



টোকা

12. laRkiyaaN Khel rahiiN thiin
13. laRki ne Khaanaa Khaayaa
14. laRkiyoN ne Khanaa Khaayaa
15. laRke ne laRkii ko maaraa
16. laRkii ne laRke ko maaraa
17. laRe ne roTii Khaayii
18. laRkii ne roTii Khaayee

5ংন ৰ পৰা 18 নং বাক্যলৈকে সুক্ষ্মভাৱে চালে দেখা পাও যে বাক্য গঠনৰ ক্ষেত্ৰতো ভাষা হৈছে নীতি অধীন। শব্দবোৰ বিশৃংখলকৈ সজালে অৰ্থপূৰ্ণ বাক্য গঠন কৰিব নোৱাৰি। শব্দ গঠনৰ পৰ্যায়ৰ লগত যদি বাক্য গঠন পৰ্যায় তুলনা কৰা যায় তেন্তে দেখা যায় যে বাক্য গঠনৰ ক্ষেত্ৰত ভাষা এটা বেছি দৃঢ়ভাৱে সংগঠিত। 5, 6, ,9 10, 11 আৰু 12 নং বাক্যই স্পষ্টকৈ দেখুৱাই যে হিন্দী ভাষাত কৰ্তা আৰু ক্ৰিয়াৰ সম্পৰ্ক গুৰুত্বপূৰ্ণ। মনত ৰাখিব লগা কথাটো হ'ল কৰ্তা আৰু ক্ৰিয়াৰ সম্পৰ্ক নিৰ্ভৰ কৰে কৰ্তাৰ লিংগ, পুৰুষ আৰু বচনৰ ওপৰত। তলত উল্লিখিত বাক্যসমূহে এই কথাটো স্পষ্ট কৰিব পাৰিব -

- raam khaanaa khaataa hai
- siitaa khaanaa khaatii hai
- tuu khaanaa khaataa hai
- tum khaanaa khaate ho
- tum khaanaa khaati ho
- app khaanaa khaate haiN
- aap khaanaa khaatii haiN
- maiN khaanaa khaataa huuN
- maiN khaanaa khaatii huuN
- ham khaanaa khaate haiN
- ham khaanaa khaatii haiN

ওপৰত উল্লিখিত বাক্য কেইটাই হিন্দী ভাষাত ব্যৱহৃত কৰ্তা আৰু ক্ৰিয়াৰ মাজৰ জটিল সম্পৰ্কৰ বিষয়ে আভাষ দিয়ে।

5ংন আৰু 18নং বাক্যলৈ ঘুৰি যাওঁ আঁহক। বাক্য নং 5, 6, 9, 10,11 আৰু 21ৰ লগত তুলনা কৰি চোৱা যাওঁক বাক্য নং 7, 8, 13, 14, 15, 16, 17 আৰু 18ত ব্যৱহৃত কৰ্তা আৰু ক্ৰিয়াৰ মাজত থকা সম্পৰ্কৰ সৈতে মিল আছে নে নাই। 7নং আৰু 8াক্যত কৰ্মৰ ওপৰত নিৰ্ভৰ কৰিহে ক্ৰিয়াৰ সলনি হৈছে, কৰ্তাৰ ওপৰত নিৰ্ভৰ কৰি নহয়। 17ংন আৰু 18নং বাক্যৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য। 7 ৰআু 8নং বাক্যত কৰ্ম আৰু ক্ৰিয়া দুয়োটাই

টোকা

পুৰুষসূচক। আনহাতে 17 আৰু 18 নং বাক্যত কৰ্ম আৰু ক্ৰিয়া দুয়োটাই স্ত্ৰীসূচক। ক্ৰিয়াটো পুৰুষসূচক বা স্ত্ৰীসূচক যিয়েই নহওঁক একো অসুবিধা নহয়, মাথো নিয়মটো হ'ল - যদি কৰ্তা 'এৰ্‌গেটিভ কেচ্ (erative case) হয় তেতিয়া ক্ৰিয়াই কৰ্তাৰ লগত চুক্তি কৰে। 31 আৰু 14 নং বাক্যত কৰ্ম হৈছে স্ত্ৰীবাচক। চোৱা যাওঁক 15 আৰু 16ংন বাক্যত ক্ৰিয়াই কেনেদৰে কাম কৰিছে। এই বাক্য দুটাৰ কৰ্তা আৰু কৰ্ম দুয়োটাকে 'ne' আৰু 'ko' শব্দ দুটাই অনুসৰণ কৰিছে। এনে ক্ষেত্ৰত ত্ৰিটো সদায় অতীত কাল হয়, যিটো আমি তৃতীয় পুৰুষ 'he' ৰ লগত অতীত কালত ব্যৱহাৰ কৰো। যেনে - 'Vah bhaagaa' (1ম পলাইছিল)

### 1.3.4 আলোচ্য গঠন ঃ

যেনে ধৰণে ধ্বনি পদ্ধতি, শব্দ গঠন আৰু বাক্য গঠন নিয়মৰ অধীন, ঠিক সেই ধৰণেই সামাজিক বাৰ্তালাপো নিয়মৰ অধীন আৰু আৰু আমি বাৰ্তালাপৰ এই নিয়মবোৰ অতিক্ৰম কৰিব নোৱাৰো। উদাহৰণস্বৰূপে, এটা সাধাৰণ নিয়মানুযায়ী দুজন ব্যক্তিৰ বাৰ্তালাপৰ মাজত তৃতীয় এজনে কথা কোৱাটো উচিত নহয়। কেতিয়াবা আমি কথোপকথনৰ মাজত এনে ভুল কৰো কাৰণ সাধাৰণতে আমি আনৰ কথাবোৰ মনোযোগেৰে নুশুনো। কথোপকথনৰ মাজত কেতিয়াবা শ্ৰেতাৰ মন বেয়া হৈ থাকিলে বা অন্য মনস্ক হৈ থাকিলে শেষ পৰ্যন্ত তেওঁ গম পাই যে তেওঁ যি শনি আছিল তেনে ধৰণৰ একো কথা কোৱাই হোৱা নাছিল। ভাষাৰ সম্পৰ্ক হ'ল ইয়াক সঠিক দিশত বুজি পোৱাৰ লগত। উদাহৰণস্বৰূপে, হিন্দী ভাষাৰ শব্দবোৰ যেনে - 'isliye', 'usne', 'par', 'aur', kyonki' ইত্যাদি ইমানেই প্ৰয়োজনীয় যে আমি যদি এই শব্দবোৰত গুৰুত্ব নিদিওঁ তেতিয়াহ'লে আমি কথোপকথনৰ প্ৰকৃত অৰ্থই বাহিৰ কৰিব নোৱাৰিম। উদাহৰণস্বৰূপে, যদি এজন মানুহে কয়, "mujhe isliye der ho gayii kyonki raste main trafik bahut thaa", ইংৰাজীত অৰ্থ, "I got delayed because there was heavy traffic on the road.", অসমীয়াত "মোৰ পলম হ'ল - কাৰণ ৰাস্তাত গাড়ী মটৰৰ বহুত যান-জট আহিল"। যদি আমি 'isliye' শব্দটো আঁতৰাই দিওঁ যাৰ অৰ্থ "which is why or because" / "কাৰণ", তেতিয়া বাক্যটো অৰ্থহীন হৈ পৰিব। প্ৰকৃত বোধৰ স্তৰত, এটা বাক্য তেতিয়াহে অৰ্থপূৰ্ণ হয় যেতিয়া প্ৰকৃত শব্দবোৰ প্ৰকৃত নিয়মত ব্যৱহাৰ কৰা হয়, তেতিয়া বাক্য এটাৰ অৰ্থও সলনি হৈ যায়।

**অগ্ৰগতিৰ নিৰীক্ষণ** - 2

1. হিন্দীত এটা বিশেষ্যৰ কেইটা ৰূপ থাকিব পাৰে?

   ক) পাঁচটা     খ) তিনিটা

   গ) দুটা     ঘ) ছয়টা

2. যদি এটা শব্দ তিনিটা ব্যঞ্জন ধ্বনিৰে আৰম্ভ হয়, তেন্তে -


টোকা

- প্ৰথমটো ব্যঞ্জনধ্বনি কেৱল |s| হ'ব।
- দ্বিতিয়টো |p|, |t|, নাইবা |k| হ'ব।
- তৃতীয়টো |y|, |r|, |l| নাইবা |v| হ'ব।

উত্তৰত যুক্তিযুক্ততাৰ বাবে উদাহৰণ দিয়ক।

3. raam Khaanaa khataa hai
sita khaanaa khati hai

ওপৰত উল্লেখিত বাক্য দুটাক উদাহৰণ হিচাবে লৈ কৰ্তা আৰু ক্ৰিয়াৰ সম্পৰ্ক ব্যাখ্যা কৰা।


.......................................................................................................................

.......................................................................................................................

.......................................................................................................................

## 1.4 মান্য ভাষা ঃ

ভাষা মান্যতাই কিছুমান নিৰ্দ্দিষ্ট স্তৰ মানি চলে। প্ৰথমটো হ'ল সেই ভাষাটোকহে মান্য ভাষা বুলি কোৱা হয় যিটো এখন সমাজত প্ৰচলিত বহু ভাষাৰ মাজৰ পৰা নিৰ্বাচন কৰি তাক মান্য ভাষা হিচাবে নিৰ্ধাৰিত কৰা হয়। সমাজত এই ভাষাটোৰ এটা নিৰ্দ্দিষ্ট স্থান আছে। ব্ৰাহ্মণ সমাজত 'সংস্কৃত' ভাষাটোক মান্য হিচাবে স্বীকাৰ কৰা হৈছে। যেতিয়া আৰবৰ আধিপত্য হৈছিল তেতিয়া 'আৰবী' ভাষাটো মান্য ভাষা হিচাপে ধাৰ্য্য কৰা হৈছিল, এনে পৰিস্থিতিত যদি ইৰাণী সকলে শাসন কৰে, তেতিয়া 'পাৰ্চী' ভাষাটো মান্য ভাষা হ'ব। যেতিয়া ব্ৰিটিছ শাসনলৈ আহিল, আন বহুতো ভাৰতীয় ভাষাক পিছত থৈ ইংৰাজীয়ে মান্য ভাষাৰ স্থান দখল কৰে। এতিয়া হিন্দী আৰু ইংৰাজী দুয়োটাই চৰকাৰী আৰু মান্য ভাষা হিচাবে স্থান পাইছে। এতিয়া আমি যেতিয়া ইংৰাজীৰ বিষয়ে কথা পাতো, সেই ইংৰাজী ভাষাটোৱেই মান্য ভাষা আৰু ইয়াক অক্সফৰ্ড অভিধানত পোৱা যায়, আৰু অক্সফৰ্ড আৰু কেম্ব্ৰিজৰ আশে পাশে এই ভাষাত কথা কোৱা হয়। যেতিয়া আমি হিন্দীৰ বিষয়ে কওঁ তেতিয়া 'Khadi boli' ৰ বিষয়ে কোৱা হয় আৰু ব্ৰজ বা অৱধী ভাষাকহে কেৱল হিন্দীৰ উপভাষা বুলি ধৰে। তৃতীয় স্তৰত, বাচনিকৃত প্ৰকাৰৰ লিখিত ব্যাকৰণ থাকিব আৰু বিভিন্ন প্ৰকাৰৰ অভিধান প্ৰস্তুত কৰিব। মান্য ভাষা হৈছে সেইটো ভাষা যিটো ভাষাত বহুতো আলোচনা-বিলোচনা হয় আৰু বিভিন্ন ধৰণৰ পদ্ধতিগত আৰু এনালাইচিকেল কিতাপ লিখা হয়। সেই মান্য ভাষাটোৱেই যেতিয়া, প্ৰশাসন, ন্যায়পালিকা আৰু গতানুগতিক শিক্ষাৰ প্ৰধান মাধ্যম হৈ পৰে। এই ভাষাটো কিতাপৰ মাধ্যমেৰে শিকোৱা হয় আৰু এনেধৰণেই ই প্ৰসাৰ লাভ কৰে। হিন্দী ভাষাটোকো সেই একে প্ৰসংগতে উল্লেখ কৰিব পাৰি। মান্যতাৰ চতুৰ্থ আৰু অন্তিম



টোকা

স্তটো হ'ল ভাষাই তাৰ উন্নতি আৰু প্ৰসাৰ লাভ কৰে বিভিন্ন মাধ্যমেৰে, যেনে - বোলছবি (চিনেমা), সাহিত্য, সংগীত ইত্যাদি। ভাষাৰ মান্যতা নিৰূপণ প্ৰক্ৰিয়াটো সামাজিক উত্থাপনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। আন বহুতো কথিত ভাষাৰ ওপৰত যিটো ভাষাক মান্য ভাষা হিচাবে নিৰ্বাচন কৰা হয়, সেই ভাষাটোৰ ৰাজনৈতিক ক্ষমতা, আইনগত ক্ষমতা আৰু আন বহুতো প্ৰয়োজনীয় ক্ষমতা থাকে।

**অগ্ৰগতি নিৰীক্ষণ** - 3

1. মান্য ভাষা এটা সদায়ে সেই সামাজিক শ্ৰেণীৰ অন্তৰ্ভুক্ত যি -

..............................................................................................

..............................................................................................

..............................................................................................

2. ভাষাৰ মান্যতা নিৰূপণ প্ৰক্ৰিয়াটো কি ভাৱে সামাজিক উত্থানৰ লগত জড়িত?

..............................................................................................

..............................................................................................

..............................................................................................

3। ভাষা হৈছে স্বভাৱজাত পৰিৱৰ্তশীল। গতিকে, ভাষাৰ মান্যতাকৰণ কিমান দূৰ সম্ভৱপৰ। এই ক্ষেত্ৰত আপোনাৰ মতামত আগবঢ়াওঁক।

..............................................................................................

..............................................................................................

..............................................................................................

## 1.5 ভাষাৰ মনোবৈজ্ঞানিক স্থিতি ঃ

এইটো নিশ্চিত যে ভাষাই মানুহৰ মগজুত / মনত গভীৰ স্থান পায়। লক্ষ্য কৰা যায় যে, যেতিয়া এজন ব্যক্তিৰ মগজুৰ কোনো অংশ আঘাত প্ৰাপ্ত হয়, তেতিয়া ভাষাৰ অসমানতাই দেখা দিয়ে। কেতিয়াবা ভুক্ত ব্যক্তিজনে বোধশক্তি হেৰুৱাই আৰু কেতিয়াবা তেওঁ বাক ক্ষমতাওঁ হেৰুৱাব পাৰে। কেতিয়াবা শব্দ গঠন স্তৰত অসুবিধাই দেখা দিব পাৰে আৰু আন কেতিয়াবা এটা সম্পূৰ্ণ শুদ্ধ বাক্য তৈয়াৰ কৰোঁতে অসুবিধা পায়।

মন কৰিবলগীয়া দ্বিতীয় কথাটো হ'ল, সম্ভৱত প্ৰত্যেক শিশুৱেই সাধাৰণ ব্যাকৰণসহ জন্ম। প্ৰত্যেক শিশুৰ মনে জানে যে প্ৰত্যেক ভাষাৰে -বিশেষ্য, ক্ৰিয়া, বিশেষণ, ক্ৰিয়া বিশেষণ, যতি - চিহ্নৰ প্ৰয়োগ, কৰ্তা-কৰ্ম ইত্যাদিবোৰ থাকে বা ব্যৱহাৰ হয়। এই ক্ষমতা অনুসৰি, এটা শিশুৱে 3 বা 4 বছৰ বয়সলৈকে তেওঁৰ চাৰিওপাশৰ সমাজখনত প্ৰচলিত কথিত ভাষাবোৰ



টোকা

আয়ত্ব কৰি ল'ব পাৰে। আমি 1.4ত আলোচনা কৰিলো যে ভাষাৰ গঠন প্ৰত্যেক স্তৰতে নীতি অধীন। ভাষাৰ সাধাৰণ ব্যাকৰণ ধাৰণা নথকা হ'ল আমি ইমান সহজ ভ্যাখ্যা কৰিব নোৱাৰিলো হয় যে কি ভাৱে এটা 3ûþ4 বছৰীয়া শিশুৱে শিক্ষকৰ সহায় নোলোৱাকৈ এটা ভা বিজ্ঞানসন্মতভাৱে আৰু শুদ্ধকৈ শিকিব পাৰে। আপুনি মন কৰিলে দেখিব যে তেওঁলোকে ব্যাকৰণ সম্বন্ধীয় বা শব্দ স্তৰত কোনোধৰণৰ ভুল নকৰে, যদিহে কিবা কাৰণে কোনো ভুল হয় তেতিয়া সেইবোৰ নিজেই শুদ্ধ কৰি ল'ব পাৰে। এনে বয়সৰ শিশুৱে সদায় 'scooter' টো 'kooter' আৰু garm' টো 'garam' বুলি উচ্চাৰণ কৰে। এই বয়সতে তেওঁলোকে বাক্য গঠন, জটিল ব্যাকৰণ আয়ত্বকৰণ আদিত অসুবিধা পায় আৰু তেওঁলোকে কঠিন আৰু জটিল শব্দৰ বিপৰীতে সহজে উচ্চাৰণ কৰিব পৰা শব্দবোৰ ব্যৱহাৰ কৰে। সেইবাবেই হিন্দী ভাষী শিশু এটাই "aaj mujhe school jana hai" এই সম্পূৰ্ণ বাক্যটোৰ পৰিৱৰ্তে ছুটিকৈ 'Kul jana' হে বুলিহে বেচিকৈ কয়।

সংক্ষেপে, শিশু এটিয়ে সাধাৰণ ব্যাকৰণসহ জন্ম লাভ কৰে, ভাষা আয়ত্বকৰণৰ ক্ষেত্ৰত তেওঁলোকৰ মনোবৈজ্ঞানিক প্ৰস্তুতি আছে আৰু পৰিৱেশৰ সংস্পৰ্শত এই প্ৰস্তুতি সম্পূৰ্ণ হয়, যিটো সম্পূৰ্ণ প্ৰাকৃতিক আৰু ই বাহ্যিক শিক্ষাৰ দ্বাৰা শিক্ষিত নহয়। আৰু ভা,া আয়ত্বকৰণৰ এই যাত্ৰা অবিৰতভাবে চলে এটা নিৰ্দ্দিষ্ট ব্যৱস্থাৰ মাজত যেতিয়া, শিশুটোৱে বিদ্যালয়লৈ যায়।

**অগ্ৰগতি নিৰীক্ষণ - 4**

1. (ক) আভা আয়ত্বকৰণৰ ক্ষেত্ৰত শিশুৰ --------- দক্ষতা আছে।

   (খ) প্ৰত্যেক শিশুৱেই ভাষা আয়ত্বকৰণৰ -------- দক্ষতা লৈ জন্ম লাভ কৰে।

2. মগজুৰ এটা অংশ যদি ক্ষতিগ্ৰস্ত হয় তেন্তে ভাষা আয়ত্বকৰণৰ ক্ষেত্ৰত কেনে অসুবিধা হ'ব পাৰে?

..........................................................................................................

..........................................................................................................


3. কথা ক'ব পৰা দক্ষতা লৈ সি জন্তে। কিন্তু ইয়াৰ অৰ্থ এয়ে নেকি যে আমি যদি এটা শিশুক অৰণ্যৰ মাজত এৰি থওঁ, তেতিয়াওঁ সে কথা ক'ব পাৰিব? যদিহে নোৱাৰে, তেতিয়াহ'লে ভাষাৰ লগত জড়িত জন্মগত গুণৰ বাহিৰেও ভাষা শিকনৰ বাবে আন আন প্ৰয়োজনীয়তা সমূহ কি কি?

..........................................................................................................

..........................................................................................................

..........................................................................................................

4. শিক্ষকৰ সহায়ত আৰ্জিত ভাষা আৰু প্ৰাকৃতিকভাৱে আয়ত্ব কৰা ভাষাৰ মাজত



টোকা

পাৰ্থক্য কি?

.............................................................................................................

.............................................................................................................

.............................................................................................................

## 1.6 ভাষাৰ সামাজিক স্থিতি ঃ

ভাষা আৰু সমাজৰ বিষয়ে আমি আগতে আলোচনা কৰিছো। যেতিয়া এটা শিশুৱে এটা ভাষা শিকে, তেতিয়া কেৱল ভাষাটোৰ উপাদানবোৰেই শুদ্ধকৈ নিশিকে, সমাজব্যৱস্থাত ভাষাটো কি ভাৱে ব্যৱহাৰ কৰিব লাগে সেইটোওঁ শিকে। স্থান, কাল, পাত্ৰ অনুযায়ী কেনে আচৰণ কৰিব লাগে সেই বিষয়ে এটা শিশুৱে খুউব সোনকালে আয়ত্ব কৰে। এনে ধৰণেই তেওঁলোকে ভাষাৰ বিভিন্ন গঠন আৰু ধৰণ আয়ত্ব কৰে।

সাধাৰণ ও বিশ্বজনীন ব্যাকৰণ থকা স্বত্বেও, শিশু এটাই তাৰ চাৰিওপাশৰ পৰিৱেশৰ পৰা শুনিবলৈ পোৱা ভাষাটো শিকে। আচলতে, আমাৰ শব্দৰ পচন্দ, বাক্যৰ চয়ন আদি কিছুমান কাৰকৰ ওপৰত নিৰ্ভৰ কৰে, যেনে - কথাৰ প্ৰসঙ্গ, কাৰ সৈতে কথা পতা হৈছে, কোন স্থানত কথা পতা হৈছে আৰু বিষয়বস্তু কি। আপুনি আপোনাৰ দেউতাৰ সতে সকলো সময়ত বিদ্যালয়ৰ বিষয়ে কথা নাপাতে বা আপুনি আপোনাৰ মাৰ সৈতে যেনেদৰে খোৱা বস্তুৰ বিষয়ে আলোচনা কৰে ঠিক তেনেদৰে আপোনাৰ দেউতাৰ সৈতে নকৰে। আপুনি আপোনাৰ শিক্ষকৰ সৈতে সেই একে ধৰণেৰে নাপাতে, যিধৰণে আপুনি আপোনাৰ বন্ধু বৰ্গৰ সৈতে কথা পাতে।

আমি কি দৰে ভাষাৰ ব্যৱহাৰ কৰো তাৰ পৰা সামাজিক পাৰ্থক্য আৰু স্তৰীভূতকৰণ আদি স্পষ্টকৈ মন কৰিব পাৰোঁ। কেতিয়াবা বিভিন্ন বৰ্ণৰ মানুহে একেটা ভাষাৰেই পৃথক পৃথক ৰূপ ব্যৱস্থাৰ কৰে। ভাষাৰ পৰিৱৰ্তন হয় প্ৰত্যেক 15ৰ পৰা 20 কিলোমিটাৰৰ ভিতৰত। ই প্ৰায়েই তৈৰীকৰণ, শব্দৰ গঠন আৰু তাৰ উচ্চাৰণ আদিৰ ওপৰত নিৰ্ভৰশীল। আমি যি মুহূৰ্ততে কিবা এটা ক'বলৈ মুখ খুলো ঠিক সেই সময়তে আমাৰ পৰিচয় দাঙি ধৰো, আমি ক'ৰ পৰা আহিছো, কেনে পৰিয়ালৰ লগত জড়িত, বন্ধু বৰ্ণ বা লগ সংগ কেনে ইত্যাদি সকলো কথা আমি কোৱা এটা শব্দ 'Hello' টোৰ পৰাই বুজিব পাৰো।

দিল্লীত কিছুমান মানুহে কয় আৰু আন কিছুমানে কয় ; 'majja' কোনোবাই কয় 'mazza'; আৰু কোনোবাই কয় 'zafar' আৰু কোনোবাই কয় 'jafar' কথা কোৱাৰ ধৰণৰ পৰা বুজা যায় কোন মানুহ শিক্ষিত আৰু কোন মানুহ অশিক্ষিত, কোন ধনী আৰু কোন দুখীয়া নাইবা কোন পুৰণি দিল্লীৰ আৰু কোন নতুন দিল্লীৰ বাসিন্দা ইত্যাদি। আপুনি আপোনাৰ স্কুলখনক 'Skul' নাইবা 'Sakul' কি বুলি কৈছে সেইটোৱেই বহুত পাৰ্থক্য আনি দিয়ে। এনে ভাৱেই ভাষিক পৰিচয় সামাজিক পৰিচয়ৰ লগত প্ৰত্যক্ষভাৱে জড়িত।



টোকা

দ্বিতীয় অধ্যায়ত আমি ভাৰতবৰ্ষৰ বহু ভাষিতাৰ বিষয়ে আলোচনা কৰিম। এজন মানুহে একেটা ভাষায়েই বিভিন্ন ধৰণে কয় বা বিভিন্ন সামাজিক আৰু ব্যৱহাৰিক ক্ষেত্ৰত ভিন্ন ভাষাৰ প্ৰয়োগ কৰে। ভাৰতীয় সমাজ ব্যৱস্থাত এইটো একেবাৰে সাধাৰণ বৈশিষ্ট্য যে এজনী কলেজীয়া ছোৱালীয়ে ঘৰত 'মাৰোৱাৰী' ভাষা কয়, লগৰ লগৰীয়াৰ সৈতে হিন্দীত কথা পাতে আৰু কলেজত ইংৰাজীত কথা পাতে। আৰু এইটোওঁ সম্ভৱ যে তাই ঘৰত বা মন্দিৰত সংস্কৃতত প্ৰাৰ্থনা কৰে। এনে ভাষিক আচৰণ কেৱল বহু ভাষিতাৰ ক্ষেত্ৰতহে সম্ভৱ। বহু ভাষিক দেশবোৰত মানুহে কোনটো ভাষা ব্যৱহাৰ কৰিব বা কেনেকৈ ব্যৱহাৰ কৰিব প্ৰধানকৈ নিৰ্ভৰ কৰে তেওঁলোকে কোন স্থানত সেই ভাষাৰ প্ৰয়োগ কৰিব। উদাহৰণস্বৰূপে, আমেৰিকাত সাধাৰণ মানুহে ব্যৱহাৰ কৰা ইংৰাজী আৰু বিশ্ববিদ্যালয় বা আন আন শিক্ষা ক্ষেত্ৰত ব্যৱহাৰ কৰা ইংৰাজী বেলেগ বেলেগ।

**অগ্ৰগতি নিৰীক্ষণ** - 5

1. তলত উল্লেখিত কোনটো ক্ষেত্ৰত ভাষা 15ৰ পৰা 20 কিলোমিটাৰৰ ভিতৰত সলনি হয়?

ক) বাক্য তৈৰীকৰণ স্তৰত

খ) শব্দ গঠন স্তৰত

গ) ধ্বনি গঠন স্তৰত

ঘ) ভাষাৰ আদান-প্ৰদানৰ ধৰণ স্তৰত।

## 1.7 ভাষা সাহিত্য ঃ

সকলো ধৰণতেই ভাষা নিখুঁত। কাৰোবাৰ কথা শুনি বুজি পোৱা, কাৰোবাক কিবা এটা কওঁতে বুজি কোৱা আৰু কিবা পঢ়া ইত্যাদি কিন্তু ভাষাৰ স্বৰূপ সাহিত্যৰ মাজেৰে আমাৰ মাজলৈ আহে ই সঁচায়ে মনোমোহা। ভাষাবিদৰ বাবে ইয়াৰ এটা চিন্তনীয় দিশ হ'ল কবিতা, সাধু, নাটক আৰু উপন্যাস ইত্যাদিত ভাষাৰ ব্যৱহাৰৰ সঠিক ধৰণৰ পৰ্যালোচনা কৰাটো। ধ্বনিৰ স্তৰ, শব্দ গঠন, বাক্য কৈৰীকৰণ আদিৰ কাৰ্যকৰী পৰ্যালোচনা আৰু সাহিত্যত এইবোৰৰ বিভিন্ন ৰূপৰ ব্যৱহাৰে আমাক ভাষাৰ সাধাৰণ ব্যৱহাৰ আৰু সাহিত্যত ব্যৱহাৰৰ ক্ষেত্ৰত থকা পাৰ্থক্যৰ বিষয়ে জনাত সহায় কৰে.তলৰ বাক্য শাৰী সহজ গদ্যলৈ পৰিৱৰ্তন কৰিবলৈ চেষ্টা কৰক -

আপুনি লক্ষ্য কৰিলে গম পাব যে শব্দৰ শৃংখলাবদ্ধকৰণ জটিলভাৱে পৃথক।

ভাষাৰ সাধাৰণ ব্যৱহাৰ আৰু সাহিত্যিক ব্যৱহাৰৰ তাৎপৰ্যপূৰ্ণ পাৰ্থক্য পোৱা যায় ভাষাৰ উপমা, মূল্যায়ন, প্ৰতিশব্দৰ ব্যৱহাৰ, ব্যঙ্গ কবিতা বা লালিকা ইত্যাদি ব্যৱহাৰ ক্ষেত্ৰত।

টোকা

**অগ্ৰগতি নিৰীক্ষণ** - 6

1. নিজৰ পচন্দৰ এটা কবিতা বাচি লওঁক। কবিতাটো সহজ গদ্যলৈ ৰূপান্তৰ কৰি লওঁক। আপুনি কেনে ধৰণৰ পাৰ্থক্যবোৰ মন কৰিছে?

..........................................................................................................

..........................................................................................................

..........................................................................................................

2. ৰূপক আৰু উপমাৰ মাজত পাৰ্থক্য কি?

..........................................................................................................

..........................................................................................................

..........................................................................................................

3. হিন্দীত 'ghar - ghar' আৰু 'ghar - var'/ অসমীয়াত ‘ঘৰ-বাৰী আৰু ‘ঘৰ-চৰ’ দুয়োটাই ক’ব পাৰি যিটো ইংৰাজীত নোৱাৰি। ভাব প্ৰকাশৰ ফলৰ পৰা 'ghar-ghar আৰু 'ghar - var/ ‘ঘৰ-বাৰী’ আৰু ‘ঘৰ-চৰ’ ৰ মাজত পাৰ্থক্য কি?

..........................................................................................................

..........................................................................................................

..........................................................................................................

## 1.8 ভাষিক নিপুণতা ঃ

কোনো এজন ব্যক্তি তেওঁৰ ভাষাটোত নিপুণ বুলি কেতিয়া ক’ব পাৰো? এই প্ৰশ্নটোৰ দুটা দিশ আছে। প্ৰথমটো, আমি ইতিমধ্যেই দেখুৱাইছো যে এটা 4 বছৰীয়া শিশুৱে তেওঁৰ ভাষাটোত নিপুন, ইয়াৰ অৰ্থ শিশুটোৱে ভাষাটোৰ সাধাৰণ ও প্ৰাথমিক ব্যাকৰণখিনি জানে আৰু ধ্বনিবোৰ লগ লগাই শব্দ সৃষ্টি কৰা এই সকলোবোৰ কথাই জানে। আনহাতে আমি কোনো ভাষাতেই সম্পূৰ্ণ নিপুণ হ’ব নোৱাৰে কাৰণ যি কোনো ভাষাৰ ক্ষেত্ৰতেই সদায়েই কিবা শিকিব লগা থাকে - নতুন শব্দ, ভাৱ প্ৰাকশৰ নতুন ধৰণ ইত্যাদি। এই পৰিপেক্ষিতত, প্ৰয়োজনীয় কথাটো হ’ল ভাষাৰ ক্ষেত্ৰত ইয়াৰ প্ৰসংগৰ প্ৰকৃতি বুজি পোৱাটো। বহলাই ক’বলৈ হ’লে, প্ৰসঙ্গ দুই ধৰণৰ হ’ব পাৰে গতানুগতিক আৰু অগতানুগতিক। অগতানুগতিক প্ৰসঙ্গ হৈছে প্ৰাকৃতিক প্ৰসঙ্গ য’ত এটি শিশুৱে সাধাৰণতে তাৰ পৰিয়াল বন্ধুবৰ্গ আৰু ওচৰ চুবুৰীয়াৰ পৰা ভাষা এটা শিকে। এনে ধৰণৰ প্ৰসঙ্গবোৰৰ ক্ষেত্ৰত শিশু এটিৰ পিতৃ-মাতৃ আৰু সম্বন্ধীয় সকলে খুউব কমেই হস্তক্ষেপ কৰে। পিতৃ-মাতৃয়ে তেওঁলোকৰ শিশুৱে কৰা ‘ভুল’বোৰ আনন্দৰ খোৰাক হিচাবে লয়। আচৰিত হ’ব লগা কথাটো হ’ল যে ভাষা এটাৰ ইমান প্ৰচৰতা আৰু জটিলতা থকা স্বতেও শিশুবোৰে অনায়াসে তেওঁলোকৰ চাৰিওপাশে

টোকা

প্ৰচলিত ভাষা আয়ত্ব কৰিব পাৰে। গতানুগতিক প্ৰসঙ্গও, আমি, বিদ্যালয়, শিক্ষক, সা-সঁজুলি, শিক্ষণৰ নতুন পদ্ধতি, ৰেডিঅ', টি.ভি টেপ ৰেকৰ্ডাৰ ভাষা গৱেষণাগাৰ ইত্যাদি অনেক দিশৰ পৰা সহযোগিতা লাভ কৰো। আশ্চৰ্য্যজনক কথাটো হ'ল যে তৎসত্বেও শিশুৱে ভাষা শিকাত অকৃতকাৰ্য হয়। এইটোও সঁচা যে যদি শিশু এটাক ভাষা শিকাৰ বাবে এটা প্ৰাকৃতিক পৰিৱেশ দিয়া হয়, তেন্তে সিহঁতে অতি সহজেই বাহিৰৰ পৰা বিশেষ সমৰ্থন নোহোৱাকৈয়ে ভাষা শিকিব পাৰে। এই বিষয়ে আমি অধ্যায় 3ত বিশদভাৱে আলোচনা কৰিম।

বিচাৰ্য বিষয় যিবোৰৰ ভাষিক নিপুণতাৰ পৰিমাণ নিৰ্ণয়ৰ সম্পৰ্ক ; আমি অনেক সময় ধৰি শ্ৰৱণ, কথন, গঠন আৰু লিখন কৌশলসমূহ পৃথকভাৱে মাপজোখ কৰাৰ বাবে হাবাথুৰি খাই আহিছো। আমাৰ সকলোৰে জ্ঞাত যে ভাষিক নিপুণতা আয়ত্বকৰণৰ বাবে ভাষাটোৰ অন্তৰ্গত কৌশলবোৰ পৃথক পৃথকভাৱে আয়ত্বকৰণৰ চেষ্টা কৰাতকৈ সমুদায় ৰূপত আয়ত্ব কৰিলে বেছি ফলপ্ৰসু হয়। উদাহৰণস্বৰূপে, আপুনি যদি কোনো চিকিৎসাৰ সৈতে কোনো সমস্যা লৈ আলোচনা কৰে বা কিবা চিকিৎসা সম্বন্ধীয় পৰামৰ্শ বিচাৰে, তেন্তে আপুনি আপোনাৰ সমস্যাৰ বিষয়ে ব্যাখ্যা কৰে, আপুনি তেওঁৰ সঁহাৰি বুজো আৰু তাৰ পাছত ঔষধবোৰৰ নাম স্পষ্টকৈ লিখি আৰু নামবোৰ পুনৰ এবাৰ মাতি শুনাই শুদ্ধ হৈছে নে নাই পৰীক্ষা কৰে। এনেদৰেই সকলোবোৰ কৌশল আৰু বোধ সহ ভাষাৰ প্ৰক্ৰিয়া দুয়োটা প্ৰায়েই সমসাময়িক ভাৱে ব্যৱহাৰ কৰা হয়। এই বিষয়ে আমি অধ্যায় 10 ত বহলভাৱে আলোচনা কৰিম।

**অগ্ৰগতি নিৰীক্ষণ** - 7

1. বিদ্যালয়ৰ গতানুগতিক পৰিৱেশত কি পোৱা নাযায় ঃ

   ক) শিক্ষক   খ) কিতাপ   গ) ভাষা গৱেষণাৰগাৰ   ঘ) ঘৰৰ দৰে যত্ন লোৱা পৰিৱেশ

2. এটি শিশুৱে তাৰ ঘৰুৱা ভাষাটোত কিদৰে নিপুণতা লাভ কৰে?

........................................................................................................

........................................................................................................

........................................................................................................

3. ভাষিক নিপুণতাৰ পৰিমাণ আম কেনেকৈ উলিয়াব পাৰোঁ?

........................................................................................................

........................................................................................................

........................................................................................................

টোকা

## 1.9 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ ঃ

- ভাষা কেৱল ব্যাকৰণ আৰু অভিধানৰ সংমিশ্ৰণ নাইবা সহজকে কেৱল মনৰ ভাৱ প্ৰকাশ উপায় নহয়। ই তাতকৈ বহু বেছি।
- ভাষা হৈছে মানুহৰ শৰীৰ বা মনৰ স্বাভাৱিক অৱস্থা। ই হৈছে এজন বক্তাৰ পৰিচয়ৰ চিন।
- ভাষাই সমাজ এখনত বাস কৰা লোক সকলৰ সম্পৰ্ক নিৰ্ধাৰণ কৰে আৰু ই সামাজিক স্তৰ সমূহৰ পৰিচায়ক।
- পৃথিৱীৰ যি কোনো অংশত অৱস্থিত যি কোনো এখন সমাজৰ এটি সাধাৰণ শিশুৱে 4 বছৰৰ ভিতৰত ভাষিক পূৰ্ণতা লাভ কৰে। তেওঁ নিজৰ ভাষাটোৰ প্ৰাথমিক শব্দসমূহ আৰু বাক্যৰ গঠনবোৰ সুন্দৰকৈ আয়ত্ব কৰে আৰু সেইবোৰ ব্যৱহাৰ কৰিব পাৰে।
- প্ৰত্যেক ভাষাতেই নিৰ্দ্দিষ্ট ব্যাকৰণ আছে আৰু ই ধ্বনি, শব্দ, বাক্য আৰু কথোপকথনৰ ক্ষেত্ৰত নিৰ্দ্দিষ্ট নিয়মাধীন।
- ভাষা পৰিৱৰ্তনশীল ; ককা-আইতাকৰ ভাষাতকৈ নাতি-নাতিনীৰ ভাষা বেলেগ প্ৰত্যেক ভাষাতেই ব্যাকৰণৰ নিৰ্দ্দিষ্ট গঠন আছে কিন্তু ভাষাবোৰৰ প্ৰত্যেকৰে স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণ আৰু বিশেষ্য, ক্ৰিয়া আৰু বিশেষণ থাকিবই। ধ্বনিবোৰ বিশৃংখলকৈ সজাব নোৱাৰি ; সেইবোৰ সজোৱাৰ নিৰ্দ্দিষ্ট নিয়ম আছে। একে ধৰণেৰেই শব্দবোৰো বিশৃংখলকে সজাব নোৱাৰি।
- ভাষাৰ মান্যতাকৰণ আৰু সামাজিক উত্থানৰ প্ৰক্ৰিয়াৰ মাজত নিবিড় সম্পৰ্ক আছে; যাৰ হাতত ক্ষমতা থাকে তেৱেঁই সকলো সিদ্ধান্ত লয়।
- প্ৰত্যেক শিশুৱেই ভাষা আয়ত্বকৰণৰ সহজাত প্ৰবৃত্তি আৰু বিশ্বজনীন বা সাধাৰণ ব্যাকৰণসহ জন্ম লাভ কৰে। তেওঁলোকে তেওঁলোকৰ চাৰিওপাশৰ ভাষাবোৰ কোনো গতানুগতিক শিক্ষা নোলোৱাকৈয়ে আয়ত্ব কৰে। তেওঁলোকৰ বাবে প্ৰয়োজন কেৱল এটা যত্নলোৱা পৰিৱেশ বা কিছুমান ভাষিক সম্ভেদ।
- এটি শিশুৱে কেৱল এটি ভাষিক দক্ষতালৈয়ে জন্ম গ্ৰহণ নকৰে, তেওঁলোকৰ কথোপকথনৰ দক্ষতাও থাকে যাতে বিভিন্ন প্ৰসঙ্গত ভাষাটো যথাযথ ব্যৱহাৰ কৰিব পাৰে।
- সাহিত্যৰ ক্ষেত্ৰত ব্যৱহৃত ভাষা আৰু দৈনন্দিন জীৱনত ব্যৱহৃত ভাষাৰ মাজত পাৰ্থক্য আছে।
- শ্ৰৱণ, কথন, গঠন আৰু লিখনৰ ক্ষেত্ৰত মূল্যায়ন পৃথক পৃথক ভাৱে হোৱাতকৈ সমগ্ৰভাৱে হোৱা উচিত।

## 1.10 প্ৰসংগ গ্ৰন্থ সমূহ


Agnihotri, R. K. (2007). *Hindi: An Essential Grammar*. London: Routledge.

Aitchison, J. (1979). *The Articulate Mammal: An Introduction to Psycholinguistics*. London: Hutchinson & Co.

Aitchison, J. (2003). *Teach Yourself Linguistics*. London: Hodder & Stoughton Ltd.

Pinker, S. (1994). *The Language Instinct*. London: Allen Lane.

Srivastava, R.N. (1983). *Bhashaashaashtra ke suutradhaar*. Delhi: National Publishing House.

Vandyopadhyay, P. and Agnihotri, R.K. (2000). *Bhaashaa: bahubhaashitaa aur hindii.* Delhi: Shilalekh.

Yule, G. (2006). *The Sudy of Langauge*. Delhi: Cambridge University Press.


## 1.11 অধ্যায় ভিত্তিক অনুশীলন

1. ভাষা আৰু সমাজে ইটোৱে সিটোৱে প্ৰভাৱান্বিত কৰে নেকি? উত্তৰটো বহলাই লিখা।
2. বহু ভাষিকতা মানে কি বুজা? তুমি দ্বি-ভাষিক/বহুভাষিক নেকি?
3. ধ্বনি, শব্দ আৰু বাক্য পৰ্যায়ত কেনেকৈ ভাষাৰ নীতিৰ জৰিয়তে চলে দেখুওৱা?
4. অসমীয়াত বিশেষ্যৰ লগত 'ii' -'ী' যোগ দিলে বিশেষণ হয়, যেনে- চৰকাৰ-চৰকাৰী, অপৰাধ-অপৰাধী ইত্যাদি। বিশেষ্যৰ পৰা বিশেষণ কৰিবলৈ আন কিছুমান উপায় বাচি উলিওৱা।
5. ভাষাৰ নিৰ্দিষ্ট মানকৰণৰ প্ৰক্ৰিয়াৰ স্তৰবোৰ ব্যাখ্যা কৰা।
6. ব্যক্তি, স্থান আৰু বিষয়ৰ ক্ষেত্ৰত ভাষাৰ পৰিবৰ্তন কেনেকৈ হয়?
7. দৈনন্দিন ভাষা আৰু Literature ভাষাৰ মাজত কিছুমান পাৰ্থক্য দেখুৱা?
8. ভাষা আহৰণৰ ক্ষেত্ৰত পৰিৱেশৰ ভূমিকা কি?

**ক্ৰিয়াকলাপ ঃ**

- ঘৰুৱা ভাষা আৰু বিদ্যালয়ৰ শিক্ষাৰ ভাষাৰ মাজত পাৰ্থক্য থকা বাবে শিশুৱে বাধাৰ সন্মুখীন হয়।
- শিশুক ওচৰ-চুবুৰীৰ ভাষাৰে শিকালে এনেকুৱা ধৰণৰ সমস্যাৰ সন্মুখীন হ'ব বুলি ভাবা নেকি? এখন ভাল বিদ্যালয় নিৰীক্ষণ কৰা।
- এজন চাৰি বছৰীয়া শিশুৰ লগত কৰা কথোপকথনৰ কিছু অংশ ৰেকৰ্ড কৰা। তাইৰ ভাষাৰ ক্ষেত্ৰত ব্যাকৰণ কেনেকৈ জানে সেইটো দেখুওৱা।